# সময়

– নীলমণি ফুকন(ককা)

**১. চমু প্ৰশ্নৰ উত্তৰ:**

**মুঠ মূল্যাংক:-১০**

**(ক) সময় কি গতিত ঘূৰে?**

**উত্তৰঃ** সময় বৃত্ত আকাৰ গতিত ঘূৰে।

**(খ) 'সাৰথি' পুথিখন কাৰ ৰচনা?**

**উত্তৰঃ** 'সাৰথি' পুথিখন হত্যানাথ বৰাদেৱৰ ৰচনা ।

**(গ) কিহৰ ওপৰত ভিক্তি কৰি সময় ভাগ কৰা হয়?**

**উত্তৰঃ** কাৰ্য্যক্ৰমৰ  ওপৰত ভিক্তি কৰি সময় ভাগ কৰা হয় ।

(**ঘ)সময়ৰ দণ্ড, পল, অনুপলক কি বোলা হয়?**

**উত্তৰঃ** সময়ৰ দণ্ড, পল, অনুপলক ভগ্নাংশ বোলা হয় ।

(ঙ) **সময়ৰ ডাঙৰ ভাগবোৰ কি?**

উত্তৰঃ সময়ৰ ডাঙৰ ভাগবোৰ হল-যুগ,কল্প,শতাব্দী ।

২/ **চাৰিটা পাঁচটা বাক্যত উত্তৰ দিয়া:-**

**মূল্যাংক:-২/৩**

(ক) **প্ৰাকৃতিক জগত বুলিলে কি বুজা?**

**উত্তৰঃ** প্ৰাকৃতিক জগত বুলিলে আমাৰ চাৰিওফালে আগুৰি থকা প্ৰাকৃতিক আৱস্থাটোক বুজায় । যেনে:- নদ-নদী, আকাশ- বতাহ,গছ্-গছনি, জীৱ-জন্তু, জলবায়ু আদি প্ৰাকৃতিক জগতৰ উপাদান ।

প্ৰাকৃতি জগতত বেলিয়ে পোহৰ দিয়ে, ৰাতি জোন-তৰাই আকাশ উজ্বলাই, ঋতু পৰিৱৰ্তন হয়,গছ্-বন শুৱনি হয়,জীৱ-জন্তুৱে বিচৰণ কৰে । মানুহ আৰু প্ৰকৃতিৰ মাজতো গভীৰ সম্বন্ধ থাকে আৰু ভৱিষ্যততো থাকিব ।

(খ) **কোনো ঘটনাৰ ওপৰত ভিক্তি কৰি কিদৰে সময় ভাগ কৰিব পাৰি?**

**উত্তৰঃ** কোনো একোটা বিশেষ ঘটনা বা মানুহৰ কাৰ্য্য- কলাপৰ ওপৰতো ভিক্তি কৰি সময়ক ভাগ কৰা হয় ।

যেনে:- ধৰ্ম,কলা,বুৰঞ্জী,কিম্বদন্তি, যুদ্ধ বিগ্ৰহ,ৰাজত্ব আদি বিষয়বিলাকে সময়ৰ একো একোটা ঢাপ তুলি সীমাবদ্ধ কৰি থৈ যায় ।সৎবৎ,**শ**তাদ্ধ,খ্ৰীষ্টাব্দ,হিজৰী, সংক্ৰৱদ্ধ, চৈত্যন্নাব্দ ইত্যাদি সময় বিভাগৰ গুৰিতে এনে একোটা স্মৰণীয় ঘটনা আছে ।

**(ঘ) লক্ষণাক্ৰান্ত মানে কি?**

**উত্তৰঃ** লক্ষণাক্ৰান্ত মানে হল লক্ষণযুক্ত । সময়ৰ ভাগবিলাকৰ কিছুমান বিশেষ লক্ষণ আছে ।সেই লক্ষণসমুহেৰে একোটা সময়ৰ বিভাগ কল্পনা কৰা হয় । সেই কাৰণেই হিন্দুসাশ্ৰমতে চাৰি যুগৰ লক্ষণবিলাক নিৰ্ণয় কৰি যোৱা আছে । খ্ৰীষ্টানৰ মিলেনিয়াম, ইছ্লামৰ শেষ ইমান মেহদিৰ আগমন আদি কিছুমান সময়ৰ ভাগৰ লক্ষণ ।

**(ঙ) বিজ্ঞানৰ আৱিষ্কাৰৰ আগতে মানুহে কিহৰ ওপৰত ভিত্তি কৰি সময় সম্পৰ্কে অৱগত হৈছিল?**

**উত্তৰঃ** বিজ্ঞানৰ আৱিষ্কাৰৰ আগতে মানুহে প্ৰাকৃতিক জগতৰ পৰিৱৰ্তনবোৰ চাই সময় সম্পৰ্কে অৱগত হৈছিল । গ্ৰহ নক্ষেত্ৰৰ গতিৰ লগত সম্বন্ধ ৰাখি সময় সম্পৰ্কে স্থিৰ কৰি লৈ । চন্দ্ৰ-সূৰ্যৰ গতি চাই দিন,মাহ গণনা কৰিবলৈ ধৰে ।

**৩/দীঘল প্ৰশ্নৰ উত্তৰ:**

**মূল্যাংক:-৪/৫**

(ক) **“মানুহৰ এক কল্পই ব্ৰহ্মাৰ এদিন আৰু এৰাতি ।“– কথাষাৰ অৰ্থ বুজাই লিখা ।**

উত্তৰঃ ইয়াত কৰ্মী মানুহৰ কথা কোৱা হৈছে ।কৰ্মী মানুহে কৰ্ম ব্যস্ততাত থাকোতে গমকে নেপাই সময়বোৰ কেতিয়া পাৰ হৈ যায় । কিন্তু এলেহুৱাৰ সময় নাযায় – নুপুৱাই । এটা দিন এবছৰ যেন অনুভৱ কৰে ।

কিন্তু মহান কৰ্মী, ব্ৰহ্মাৰ কাৰণে ই একো দীঘলীয়া সময় নহয়। মানুহৰ কাৰণে যি এটি যোগ, ব্ৰহ্মাৰ কাৰণে এটি কল্পহে মাত্ৰ । অৰ্থাৎ কৰ্মৰ মাজেদিহে সময়ৰ গতি নিৰূপন কৰিব পাৰি,সময়ৰ দ্বাৰা নহয় ।

(খ) **অন্তৰ্নিহিত ভাৱ বিশ্লেষণ কৰা:**

সময়ৰ এই ভাগবিলাক বিশেষ বিশেষ লক্ষনাক্ৰান্ত ।

**উত্তৰঃ** সময়ৰ ভাগ বিলাকৰ কিছুমান বিশেষ বিশেষ লক্ষণ থাকে । সেই লক্ষণবিলাকৰে একোটা সময়ৰ ভাগ কৰা হয় । হিন্দুসাশ্ৰমতে চাৰিযুগৰ লক্ষণবিলাক নিৰ্ণয় কৰি থোৱা আছে ।

কলি যুগত কল্কি অৱতাৰৰ পিছত সত্য যুগৰ প্ৰৱৰ্তন, খ্ৰীষ্টান- সকলৰ মতে মিলেনিয়াম বা হাজাৰ বছৰ যীশুৰ ৰাজত্ব, ইছলামৰ মতে শেষ ইমান মেহদিৰ আগমন ইত্যাদি ঘটনাৱলীয়েই একে একো যুগৰ লক্ষণ । এই যুগবিলাকৰ পৰিৱৰ্তনেই কল্পন্তৰ,চাইক্লিক আদি বিভিন্ন নামেৰে প্ৰখ্যাত ।

**(গ) সময় অমূল্য ধন বোলা কথাষাৰ সঁচা ।**

**উত্তৰঃ** নীলমণি ফুকনদেৱে সময়ৰ গুৰুত্ব বৰ্ণনা কৰিবলৈ গৈ তেখেতৰ “সময়” নামৰ – প্ৰবন্ধটিত আলোচ্য কথাষাৰ সন্নিবিষ্ট কৰিছে ।

সময় অমূল্য ধন । একোজন ধনকুৱেৰে এক মিনিটত হাজাৰ হাজাৰ টকা উপাৰ্জন কৰে । এজন মানুহে হয়তো গোটেই জীৱনত একেলগে হাজাৰ টকা চকুৰে নেদেখে । ঘোঁৰা চেকুৰত এক মূহুৰ্তৰ আগতে অহা ঘোঁৰাৰ গিৰিহঁতে লক্ষ লক্ষ টকা পোৱাৰ দৃষ্টান্ত আছে ।

ঘণ্টাত কুৰি মাইল যোৱা লৰী মটৰ এখনৰ উপাৰ্জন ঘণ্টাত দুমাইল যোৱা গৰু গাড়ীখনতকৈ বেছি । পৰীক্ষাৰ প্ৰশ্নকাকত পিটিকি থাকি সময় নষ্ট কৰা পৰীক্ষাৰ্থীতকৈ

তলৰ মোৰ ওপৰ কৰিবলৈ সময় নোহোৱা পৰীক্ষাৰ্থীয়ে নম্বৰ বেছি পায়। গীতিকে দেখা যায় সময় অমূল্য ধন বোলা কথাষাৰ সঁচা।